# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

বছৰ । ৩৩৮ সংখ্যা, ৩২ আহাৰ, শুকুৰবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 338। DIBRUGARH, FRIDAY, JULY 17, 2026 । পৃষ্ঠা ১৬ (Pa


## অভিযানৰ
## ৰাৰ শতাধিক
## পদত্যাগ

পৰা ৮০, তিৰুৱনন্তপুৰ

ন মানৱ মহাকাশ অভিযানকে ধৰি দেশ
কাশ অভিযানৰ সৈতে জড়িত ১০০
মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ প
মহাকাশ বিভাগ। চাকৰি কাল শেষ
বাহিক প্ৰস্থানৰ ফলত অভিযানসমূহত
আশংকাও জন্মিছে। যাৰ ৬ পৃ

ৰাজহুৱ

## তে হে

তিৰ অধ্যক্ষ পি পি চৌধাৰী
ইজৰ মতামত ■ সমষ্টি পু
কৰি অধ্যক্ষগৰাকীয়ে ক'লে



১৬ জলাই ঃ সম

### ডিব্ৰুগড়ত টাইপাৰ বিজয় ৰাজকোঁৱৰৰ গোটৰ প্ৰতিষ্ঠা দিৱস

# 'ভাষা, সাহিত্য এটা জাতিৰ পৰিচয়'

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৬ জুলাইঃ** 'ভাষা আৰু সাহিত্য হৈছে এটা জাতিৰ প্ৰাথমিক পৰিচয়। সাহিত্যই এটা জাতিক বিশ্ব দৰবাৰত স্বকীয়তাৰে থিয় হোৱাৰ শক্তি প্ৰদান কৰে। সাহিত্য অবিহনে এটা জাতিৰ ভাষা কেৱল মনৰ ভাব বিনিময়ৰ মাধ্যম হিচাপে থাকি যায়। কিন্তু সাহিত্যৰ স্পৰ্শই তাক এটা সমৃদ্ধ সাংস্কৃতিক পৰিচয় দিয়ে।' অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডিব্ৰুগড় গ্ৰন্থাগাৰিক সন্থাৰ সভাপতি, ডিব্ৰুগড় জিলা ইতিহাস সংকলন সমিতিৰ সভাপতি তথা ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই এইদৰে কয়। আজি ডিব্ৰুগড় জিলা টাই আহোম যুৱ পৰিষদ (টাইপা)ৰ উদ্যোগত অনুষ্ঠিত ৩১ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'ছিং লুক বাও টাই আহোম' উন্মোচন কৰি অধ্যক্ষগৰাকীয়ে কয়, যুৱশক্তিয়ে সমাজ পৰিৱৰ্তন কৰিব পাৰে আৰু যুৱশক্তিৰ যোগেদি ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণ ঘটাব পাৰি। স্মৃতিগ্ৰন্থখন কেৱল কেইটামান কাগজৰ পৃষ্ঠা নহয় বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, ভাষা আৰু সাহিত্যই হ'ল এটা জাতিৰ আত্মাস্বৰূপ। সাহিত্যই এটা জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰে আৰু সাংস্কৃতিক সম্পদে জাতিৰ পৰিচয় উজলাই তোলে। অসমীয়া ভাষা থাকিলেহে সাহিত্য থাকিব আৰু সাহিত্য থাকিলেহে ৰীতি-নীতি-পৰম্পৰা চিৰদিন থাকিব বুলি উল্লেখ কৰি তেওঁ কয়, টাইপাৰ এনে অধিৱেশনে ইতিহাস সমৃদ্ধ কৰাই নহয়, জাতিটোকো শক্তিশালী কৰি তোলে। নিজৰ অস্তিত্ব আৰু স্বাভিমান ৰক্ষাৰ বাবে প্ৰতিটো জাতিকে সাহিত্যৰ প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। সভাৰ আদৰণী ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় সমিতিৰ সভাপতি বিজয় ৰাজকোঁৱৰে কয়, বিগত ৩১ বছৰ ধৰি সংগঠনটোৱে চলাই অহা সংগ্ৰাম আহোম জাতিৰ বাবে এক স্মৰণীয়। তেওঁ টাই আহোমসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, স্বায়ত্তশাসন প্ৰদান কৰা, টাই ভাষা, টাই নৃত্য-সংস্কৃতি প্ৰসাৰ আৰু আহোমৰ প্ৰাচীন সম্পদসমূহ সংৰক্ষণ কৰাৰ বাবে দাবী উত্থাপন কৰে। অসমৰ টাই আহোমসকলৰ প্ৰাচীন সম্পদসমূহ সংৰক্ষণ কৰিবলৈ চৰকাৰে আগবাঢ়ি অহা উচিত বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে কয়, বৰ্তমান চৰকাৰখনে জনগোষ্ঠীটোৰ দাবীসমূহ সমাধান কৰাৰ বিপৰীতে আওকাণ কৰি আহিছে। আজিৰ এই প্ৰতিষ্ঠা দিৱসৰ দিনাই মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীক আহ্বান জনাই কয়, অতি সোনকালে আহোমসকলৰ জনজাতিকৰণ নহ'লে জনজাতিকৰণৰ দাবীত জনগোষ্ঠীটোৱে সঠিক আৰু ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰিব। প্ৰয়োজন হ'লে পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও তেওঁ সদৰি কৰে। উল্লেখ্য যে আজি দিনজোৱা কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত টাইপাৰ অধিৱেশনত পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি বিজয় ৰাজকোঁৱৰে। স্বৰ্গদেউ চাওলুং চুকাফাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা অনন্ত ফুকনে। মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰুদ্ৰসাগৰ বুঢ়াগোহাঁয়ে। আজি মুকলি সভাৰ আঁত ধৰে কেন্দ্ৰীয় সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক মনোৰঞ্জন গগৈয়ে। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক গিৰীন চেতিয়া, বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক বিকাশ অসম, আহোম সভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শশাংক নেওগ, আহোম জাতীয় মহাসভাৰ কেন্দ্ৰীয় সম্পাদক অনন্ত গগৈ, অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, ডিব্ৰুগড় জিলা উন্নয়ন পৰিষদৰ অধ্যক্ষ অসীম হাজৰিকা প্ৰমুখ্যে অন্যান্য কেন্দ্ৰীয়, জিলা আৰু অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিষয়ববীয়া আৰু নিমন্ত্ৰিত অতিথিসকল।

## জুবিন হত্যাৰ গোচ
## ভগ্নী ডঃ পামী
## বৰঠাকুৰৰ সাক্ষ্য

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৬ জুলাইঃ** জুবিন গাৰ্গ হত্যাকাণ্
আজি ফাষ্টট্ৰেক আদালতত পুনৰ সাক্ষ
শিল্পীগৰাকীৰ ভগ্নী ডঃ পামী বৰঠাকুৰে। অ
অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্ত
জেৰা কৰে। কাইলৈ তেওঁ পুনৰ আদাল
হ'ব লাগিব। সংবাদ মাধ্যমৰ সন্মুখত তেওঁ
কাৰিকৰী কথা সুধিছে। বহু চিন্তা কৰি
কথাখিনি কৈছোঁ। কাইলৈ আকৌ হ'ব। কা
নহ'লে পৰৱৰ্তী দিন নিৰ্দ্ধাৰণ কৰা হ'ব।'

## ধুবুৰীত গৰ্ভপাত

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধুবুৰী, ১৬ জুলাই ঃ** ধুবুৰীত অবৈধ গ
এগৰাকী নাৰ্ছসহ শিক্ষক স্বামী আৰু এগ
ধুবুৰী আদালতে। উল্লেখ্য যে ধুবুৰীৰ টো
৭ জুনত ধুবুৰী চিকিৎসা মহাবিদ্যালয় হা
চক্ৰবেহুত আবদ্ধ হৈ পৰে হজৰত আলী
গাঁৱত থকা হাবিবা ইয়াছমিন নামৰ এগৰ
বিনিময়ত গৰ্ভপাত কৰোৱায়। পিছদিনা প
অতিমাত্ৰা ৰক্তক্ষৰণ হোৱাৰ লগতে পেট
হজৰতে পত্নীক বৰপেটা মেডিকেল কলে
সেইমতে তিনিদিনমান পাছত অস্ত্ৰোপচাৰ
চি ইউত চিকিৎসাধীন অৱস্থাতে যোৱা
আৰক্ষী থানাত এজাহাৰ দাখিল কৰে ভু
আৰক্ষীয়ে যোৱা ১৩ জুলাইৰ নিশা হাবি
বিপজ্জনকভাৱে থকা এটা গৰ্ভপাত কক্ষ
সক্ষম হয়। পাছত নাৰ্ছগৰাকীৰ লগতে
মহিলা দালালগৰাকীকো গ্ৰেপ্তাৰ কৰে।
আজি পুনৰ তিনিওকে ধুবুৰী আদালতত